৪/৫

**অসম সাহিত্য সভা**
শাখা ঃ উত্তৰ লক্ষীমপুৰ[১] সাহিত্য সভা
ডাকঘৰ ঃ লখিমপুৰ, অসম - ৭৮৭০০১

**নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত)**
অসমীয়া বিভাগ
ডাকঘৰ ঃ খেলমাটি, লখিমপুৰ, অসম - ৭৮৭০৩১

## বুজাবুজিৰ চুক্তি
## (Memorandum of Understanding)

এই বুজাবুজিৰ চুক্তি অসমীয়া বিভাগ, নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত) আৰু উত্তৰ লক্ষীমপুৰ সাহিত্য সভাৰ মাজত সম্পন্ন কৰা হৈছে। নিৰ্দিষ্ট শৈক্ষিক আৰু গৱেষণামূলক কাম সম্পন্ন কৰাৰ বাবে নিৰ্ধাৰিত সময়ৰ বাবে এই চুক্তিৰ চৰ্তসমূহ প্ৰযোজ্য হ'ব।

**বিৱৰণ**

নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগ আৰু উত্তৰ লক্ষীমপুৰ সাহিত্য সভা নিম্নলিখিত বিৱৰণ অনুসৰি কাম কৰিবলৈ চুক্তিবদ্ধ হয়—

**১.০০ বুজাবুজিৰ চুক্তি সম্পন্ন কৰাৰ কাৰণ ঃ**

১.০১ দুয়োটা পক্ষই যুটীয়াভাৱে উত্তৰ-পূব ভাৰতৰ জনগোষ্ঠীয় সংস্কৃতি আৰু সাহিত্য অধ্যয়ন কৰিবৰ বাবে। এই কামৰ বাবে ক্ষেত্ৰ অধ্যয়নৰো ব্যৱস্থা থাকিব।

১.০২ অসমীয়া ভাষা আৰু সাহিত্যৰ উত্তৰণৰ হকে কৰ্মশালা, বক্তৃতা অনুষ্ঠান আৰু আলোচনা সত্ৰ অনুষ্ঠিত কৰিবৰ বাবে।

১.০৩ ছাত্ৰ-ছাত্ৰী তথা নতুন প্ৰজন্মৰ মাজত গ্ৰন্থ অধ্যয়নৰ অভ্যাস বঢ়াই তুলিবলৈ সভা, প্ৰতিযোগিতা আদি অনুষ্ঠিত কৰিবৰ বাবে।

১.০৪ যুটীয়াভাৱে গৱেষণামূলক গ্ৰন্থ প্ৰকাশৰ বাবে।

**২.০০ ম্যাদ ঃ**

২.০১ এই চুক্তিৰ সময়সীমা মাৰ্চ, ২০১৯ৰপৰা ফেব্ৰুৱাৰী ২০২০লৈ এবছৰৰ বাবে বাহাল থাকিব।

---

[১] বৰ্তমান জিলাখনৰ নাম 'লখিমপুৰ' হিচাপে চৰকাৰী কাম কাজত লিখা হয় যদিও 'উত্তৰ লক্ষীমপুৰ সাহিত্য সভা' এই নামটো নামবাচক বিশেষ্য হিচাপে অতীজৰ দৰেই লিখা হয়।

৩.০০ বৈঠক আৰু সিদ্ধান্ত ঃ

৩.০১ যিকোনো কাৰ্যসূচী ৰূপায়নৰ বাবে দুয়োপক্ষৰ যুটীয়া বৈঠক অনুষ্ঠিত হ'ব।

৩.০২ জৰুৰী সময়ত চুক্তিত স্বাক্ষৰকাৰীসকলে কোনো কাৰ্যসূচীৰ বাবে সিদ্ধান্ত ল'ব পাৰিব। পৰৱৰ্তী বৈঠকত বিষয়টো অনুমোদন কৰাব লাগিব। সকলো কাৰ্যৰ তথ্য সংৰক্ষণৰ বাবে এখন কাৰ্যবিৱৰণী লিখা হ'ব।

৪.০০ আৰ্থিক প্ৰসঙ্গ ঃ

৪.০১ আৰ্থিক খৰছৰ প্ৰয়োজন থকা কাৰ্যসূচীৰ বাবে চৰকাৰী বা বেচৰকাৰী সংস্থাৰপৰা পৃষ্ঠপোষকতা বিচৰা হ'ব।

৪.০২ দুয়োপক্ষৰ পুঁজি ব্যৱহাৰেৰেও কাৰ্যসূচী সম্পন্ন কৰা হ'ব।

৪.০৩ যিকোনো এটা পক্ষৰ পুঁজিৰ ব্যৱহাৰেৰেও কাৰ্যসূচী সম্পন্ন কৰা হ'ব।

৫.০০ চুক্তিভঙ্গ ঃ

৫.০১ কোনো এটা পক্ষই আনটো পক্ষৰ কাম-কাজত অসন্তুষ্ট হ'লে অভিযোগ উত্থাপন কৰিব পাৰিব। অভিযোগ গ্ৰহণৰ কৰ্তৃত্ব কেৱল নৰ্থ লখিমপুৰ কলেজৰ ক্ষেত্ৰত অধ্যক্ষৰ আৰু উত্তৰ লক্ষীমপুৰ সাহিত্য সভাৰ ক্ষেত্ৰত সভাপতিৰহে থাকিব। অভিযোগ নিষ্পত্তি নহ'লে ম্যাদ সম্পূৰ্ণ নোহোৱাকৈ চুক্তি ভঙ্গ কৰিব পাৰে।

৫.০২ আন যিকোনো জৰুৰী কাৰণত চুক্তি ভঙ্গ হ'ব পাৰে। তাৰবাবে যুটীয়া বৈঠক অনুষ্ঠিত হ'ব লাগিব।

৬.০০ আইনগত দিশ ঃ

৬.০১ দুয়োপক্ষই যিকোনো আইনগত কাম লখিমপুৰ ন্যায়ালয়ত সম্পন্ন কৰিব।

৭.০০ যোগাযোগৰ ঠিকনা ঃ

যিকোনো যোগাযোগ তলৰ ঠিকনা দুটাত সম্পন্ন হ'ব —

প্ৰতি ঃ অধ্যক্ষ, নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত)
ডাকঘৰ- খেলমাটি, লখিমপুৰ, অসম - ৭৮৭০৩১

প্ৰতি ঃ সভাপতি, উত্তৰ লক্ষীমপুৰ সাহিত্য সভা
ডাকঘৰ- লখিমপুৰ, জিলা- লখিমপুৰ, অসম - ৭৮৭০০১

৮.০০ ব্যক্তি, যাৰ লগত যোগাযোগ কৰিব ঃ

নৰ্থ লখিমপুৰ কলেজ ঃ ড° অৰবিন্দ ৰাজখোৱা, সহকাৰী অধ্যাপক, নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত), ডাকঘৰ- খেলমাটি, লখিমপুৰ, অসম - ৭৮৭০৩১, ফোন ঃ +৯১-৯৪৩৫১-৮৯১৭৪, ইমেইল

ঃ arabindarajkhowa2011@gmail.com
উত্তৰ লক্ষীমপুৰ সাহিত্য সভা ঃ ৰুক্ম গোহাঞিবৰুৱা, সভাপতি, উত্তৰ লক্ষীমপুৰ সাহিত্য সভা,
ডাকঘৰ- লখিমপুৰ, জিলা- লখিমপুৰ, অসম - ৭৮৭০০১, ফোন ঃ +৯১-৯৪৩৫৫-২০৩৪৫

স্বাক্ষৰ

নৰ্থ লখিমপুৰ কলেজৰ হৈ—
(ক) ড° বিমান চন্দ্ৰ চেতিয়া, অধ্যক্ষ
18.4.19
স্বাক্ষৰ
ঠাই আৰু তাৰিখ

(খ) লিলি চেলেং, মুৰব্বী, অসমীয়া বিভাগ
লিলি চেলেং ১৮/৪/১৯
স্বাক্ষৰ
ঠাই আৰু তাৰিখ

(গ) ড° অৰবিন্দ ৰাজখোৱা, সমন্বয়ক
স্নাতকোত্তৰ শ্ৰেণী, অসমীয়া বিভাগ
১৮/৪/১৯
Coordinator
PG Classes
Dept. of Assamese
N L College (Autonomous)
স্বাক্ষৰ
ঠাই আৰু তাৰিখ
লখিমপুৰ, ১৮/৪/১৯

উত্তৰ লক্ষীমপুৰ সাহিত্য সভাৰ হৈ—
(ক) ৰুক্ম গোহাঞিবৰুৱা, সভাপতি
১৮/৪/২০১৯
স্বাক্ষৰ
ঠাই আৰু তাৰিখ

(খ) জেতুকী শইকীয়া, সম্পাদক
জেতুকী শইকীয়া ১৮/৪/১৯
স্বাক্ষৰ
ঠাই আৰু তাৰিখ